# উপসংহাৰ

বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনত মাৰ্ক্সৰ গভীৰ প্ৰভাৱ পৰিছিল। মাৰ্ক্সবাদৰ বিষয়ে যথেষ্ট অধ্যয়ন কৰাৰ পিছত তেওঁৰ মনোজগতত আৰু বাস্তৱজগতত মাৰ্ক্সৰ বিপ্লৱী সত্তাৰ জাগ্ৰত হৈছিল। সমাজখনত পুঁজিবাদী ধনী মহাজন-জমিদাৰ শ্ৰেণীটোৱে কৃষক-শ্ৰমিকক কৰা আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক শোষণ দেখি ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে বিপ্লৱৰ পথ গ্ৰহণ কৰে। ৰাভাই বিশ্বাস কৰিছিল যে মাৰ্ক্সৰ সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠাৰ দ্বাৰাহে সৰ্বহাৰা কৃষক-শ্ৰমিক শ্ৰেণীটোৰ উন্নতি সম্ভৱ হ'ব। ইয়াৰ বাবে পুঁজিবাদী সামন্ততান্ত্ৰিক ব্যৱস্থা ধ্বংস কৰিব লাগিব। সমাজৰ পৰিৱৰ্তনৰ বাবে বিপ্লৱৰ প্ৰয়োজন আৰু ৰাভাই সেই বিপ্লৱকে আদৰ্শ হিচাবে গ্ৰহণ কৰিছিল। ৰাভাই হাতত অস্ত্ৰ তুলি লৈছিল যদিও অস্ত্ৰতকৈ কলমৰ প্ৰতিহে তেওঁৰ আস্থা বেছি আছিল। ৰাভাই 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত' যোগদান দি কৃষক-বনুৱাৰ অধিকাৰক লৈ অসমৰ বিভিন্ন ঠাইত গৈ বিপ্লৱী আদৰ্শ প্ৰচাৰ কৰে। জনগণক জাগ্ৰত কৰিবৰ বাবে বিভিন্ন সভা-সমিতিবোৰত অংশগ্ৰহণ কৰে। পিছত সশস্ত্ৰ বিপ্লৱৰ পথ ত্যাগ কৰি 'ভাৰতৰ কমিউনিষ্ট পাৰ্টিত' যোগদান দিয়ে। জনগণৰ বাবে কৰা বিপ্লৱ সামন্ততান্ত্ৰিক কংগ্ৰেছ চৰকাৰখনৰ সহ্য নহ'ল। সংগঠনটোক বে-আইনী ঘোষণা কৰা হ'ল। ৰাভা আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে গ্ৰেপ্তাৰীৰ আদেশ জাৰি কৰা হ'ল। ৰাভাই সহযোগীসকলৰ সৈতে আত্মগোপন কৰিবলগীয়া হ'ল। ৰাভাৰ বিপ্লৱৰ মুখ্য উদ্দেশ্য আছিল ধনতন্ত্ৰবাদ আৰু সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা কৰা। কৃষক-শ্ৰমিক শ্ৰেণীৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰা। কৃষক-শ্ৰমিক শ্ৰেণীক পঞ্চায়তৰাজ ব্যৱস্থা আৰু কৃষক-শ্ৰমিকৰ একনায়কত্ববাদেহে এওঁলোকক শোষণ-নিপীড়নৰ পৰা মুক্তি দিব পাৰিব। ৰাভাই মাৰ্ক্সৰ সেই আদৰ্শকে গ্ৰহণ কৰি কৃষক-শ্ৰমিকৰ পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিছিলে। ৰাভাই সমগ্ৰ অসম ভ্ৰমণ কৰি ডেকাসকলক বিপ্লৱী সংগ্ৰামত অংশ ল'বলৈ আহ্বান জনাইছিল। ৰাভাই এফালে বিপ্লৱৰ আৰু অন্যফালে সাহিত্যৰ দ্বাৰা সংগ্ৰামত যোগ দিছিল। সাহিত্য হৈছে সমাজৰ দাপোণ আৰু সেই দাপোনখনতেই ৰাভাই বিপ্লৱৰ প্ৰতিবিম্ব জনসাধাৰণক দেখুৱাইছিল। ৰাভাই অসমীয়া সাহিত্যৰ বাবে বহু মূল্যৱান সাহিত্যৰ সৃষ্টি কৰিছে। সাহিত্যৰ

প্ৰতিটো ভাগৰেই সাহিত্য ৰচনা কৰা বুলি ক'লেও ভুল কোৱা নহ'ব। তেওঁৰ এই বৃহৎ সাহিত্য সম্ভাৰৰ মাজত ফুটি উঠিছে মাৰ্ক্সবাদী ভাৱৰ। ৰাভাই জনগণৰ দুখ-দুৰ্দশা, শোষণ-নিপীড়নৰ ছবিসমূহ সাহিত্যৰ মাজেদি দাঙি ধৰিছে। ৰাভাৰ ৰচনাসমূহত সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে যে বিপ্লৱৰ প্ৰয়োজন আছে, বিপ্লৱ অবিহনে সদায়ে শোষণৰ বলি হৈ থাকিব লাগিব। তাৰ লগতে সাহিত্যৰাজিত মাৰ্ক্সীয় আদৰ্শৰেই এক নতুন সমাজ যাতে গঢ়িব পাৰে তাৰ বাবেও ৰাভাই চিন্তা কৰিছে। বিশ্বৰ ইতিহাসত মাৰ্ক্সৰ অৱদান আছিল যুগান্তকাৰী। মাৰ্ক্সে সমগ্ৰ বিশ্বতেই এক পৰিৱৰ্তনৰ জোৱাৰ আনিছিল। কৃষক-শ্ৰমিক তথা সৰ্বহাৰা শ্ৰেণীটোক শোষণ-নিপীড়নৰ অৱসানৰ বাবে বিপ্লৱৰ যি পথ দেখুৱালে সেয়া বিশ্বতে বিৰল। বিষ্ণু ৰাভাই এই মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰি নিজৰ সাহিত্যৰাজিৰ মাজেৰেও মাৰ্ক্সীয় আদৰ্শ প্ৰচাৰ কৰিছে।

আমাৰ এই গৱেষণা গ্ৰন্থত অধ্যায়সমূহ বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ মাজেৰে আলোচনা কৰিবলৈ প্ৰযত্ন কৰা হৈছে যদিও আমাৰ এই আলোচনাই শেষ আলোচনা বুলি দাবী কৰিব নোৱাৰো। বিষয়বস্তুৰ উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি নিৰ্দিষ্ট সীমাবদ্ধতাৰ মাজত আলোচনা আগবঢ়োৱা হৈছে।

আমাৰ এই গৱেষণা-গ্ৰন্থৰ 'অৱতৰণিকা'ত অধ্যয়নৰ বিষয়, অধ্যয়নৰ উদ্দেশ্য আৰু তাৎপৰ্য, গৱেষণাৰ পৰিসৰ, গৱেষণা পদ্ধতি, গৱেষণাৰ সমল, পূৰ্বকৃত সাহিত্যৰ অধ্যয়ন, গৱেষণাৰ প্ৰমেয় আদি বিষয়বোৰ সামৰি লোৱা হৈছে।

গৱেষণা গ্ৰন্থৰ প্ৰথম অধ্যায় "বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত প্ৰকাশিত প্ৰধান প্ৰসংগসমূহ" শীৰ্ষক শিৰোনামটোৰ মাজেৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু তেওঁৰ ৰচিত সাহিত্যসমগ্ৰত প্ৰকাশিত প্ৰধান প্ৰসংগসমূহৰ ওপৰত আলোকপাত কৰা হৈছে। এই অধ্যায়টোত ৰাভাৰ সমগ্ৰ সাহিত্যৰাজিক বিষয়বস্তু অনুসৰি ভাগ ভাগ কৰি দেখুওৱাৰ লগতে সাহিত্যসমগ্ৰৰ আলোচনাও দাঙি ধৰা হৈছে। ৰাভাৰ ৰচিত সাহিত্য-সমগ্ৰৰ অধ্যয়ন কৰিলে তেখেতৰ অসম তথা ভাৰতৰ কৃষ্টি-সংস্কৃতি, গীত-কবিতা, নাটক-উপন্যাস, গল্প-সাধুকথা, জাতি-জনজাতিৰ বিষয়ে গভীৰ গৱেষকৰ ৰূপটো দেখা পোৱা যায়।

দ্বিতীয় অধ্যায় 'মাৰ্ক্সবাদ আৰু বিষ্ণুপ্ৰসাদ ৰাভা' শীৰ্ষক অধ্যায়টোত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনত কিদৰে মাৰ্ক্সবাদ দৰ্শনৰ গভীৰ প্ৰভাৱ পৰিল সেই বিষয়ে আলোকপাত কৰা হৈছে।

ৰাভাই ছাত্ৰ জীৱনৰ পৰাই সংগ্ৰামী আছিল। কলিকতাত পঢ়ি থকাৰ দিনতে ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰিছিল। পৰৱৰ্তী সময়ত মাৰ্ক্সবাদৰ বিষয়ে গভীৰ অধ্যয়ন আৰু বিভিন্নজনৰ প্ৰত্যক্ষ সহযোগত মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰে। সৰ্বহাৰা-শোষিত জনগণৰ ন্যায় আৰু মুক্তিৰ বাবে ৰাভাই 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিত' যোগদান কৰে আৰু সশস্ত্ৰ সংগ্ৰামৰ পথ গ্ৰহণ কৰে। কিন্তু পৰৱৰ্তী সময়ত ৰাভাই এই পথ ত্যাগ কৰি 'ভাৰতৰ কমিউনিষ্ট পাৰ্টিত' যোগদান কৰে। ভাৰত চৰকাৰে বিপ্লৱী কমিউনিষ্ট পাৰ্টিক নিষিদ্ধ ঘোষণা কৰাত ৰাভা আৰু তেওঁৰ সহযোগীসকলে আত্মগোপন কৰিবলগীয়া হৈছিল। ৰাভাৰ এই সংগ্ৰাম আছিল সৰ্বসাধাৰণ জনগণৰ মুক্তিৰ বাবে। সৰ্বহাৰা শ্ৰেণীটোক ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে সবল কৰি তুলিবলৈ এই বিপ্লৱৰ পথ গ্ৰহণ কৰিছিল। ৰাভাই শেষ সময়লৈকে এখন ভেদাভেদহীন, শোষণমুক্ত, সাম্যসমাজ গঢ়িবলৈ সৰ্বতোভাৱে যুজ দিছিল। ৰাভাৰ ৰাজনৈতিক সংগ্ৰামী জীৱনৰ বিষয়ে এই অধ্যায়টোত আলোকপাত কৰা হৈছে।

তৃতীয় অধ্যায় *'মাৰ্ক্সবাদী সাহিত্য তত্ত্ব ঃ এক তাত্ত্বিক আলোচনা'* শীৰ্ষক অধ্যায়টোত মাৰ্ক্সবাদৰ বিভিন্ন তত্ত্বসমূহৰ আলোচনা কৰা হৈছে। এই তত্ত্বসমূহ হৈছে ৰাষ্ট্ৰৰ তত্ত্ব, দান্দ্বিক পদ্ধতিৰ ব্যাখ্যা, ঐতিহাসিক বস্তুবাদ, সমাজতান্ত্ৰিক সমাজ, সাম্যবাদী সমাজ, শ্ৰেণী সংঘৰ্ষ, বিপ্লৱৰ সূত্ৰ, উদ্বৃত্ত মূল্য, মাৰ্ক্সীয় অৰ্থনীতি আদিৰ বিষয়ে সংক্ষিপ্ত আভাস দিয়াৰ লগতে মাৰ্ক্সীয় সাহিত্যৰ স্বৰূপ, মাৰ্ক্সীয় সাহিত্যত প্ৰগতি, সাহিত্যত সমাজতাত্ত্বিক বাস্তৱবাদ, মাৰ্ক্সীয় সাহিত্য বিচাৰ, ভাৰতীয় প্ৰেক্ষাপটত মাৰ্ক্সবাদী সাহিত্য আদি বিষয়বস্তুৰ বিষয়ে আলোচনা কৰা হৈছে। মাৰ্ক্সবাদী দৰ্শন সাহিত্যৰ মাজলৈ কেনেদৰে আহিল। মাৰ্ক্সবাদী সাহিত্যিকসকলে সাহিত্যৰ মাজত কিদৰে সেই দৰ্শনৰ প্ৰয়োগ কৰি সাহিত্য ৰচনা কৰিলে। সেই বিষয়ে আলোকপাতৰ প্ৰযত্ন কৰা হৈছে। মাৰ্ক্সীয় সাহিত্য গঢ় লয় সমাজৰ বাস্তৱতাৰ পটভূমিত। এই সাহিত্যই সমাজৰ শোষিত-নিপীড়িত জনগণৰ বাবে ৰচিত। ইয়াৰ জৰিয়তে শোষিত শ্ৰেণীটোৱে মুক্তি পথৰ সন্ধান লাভ কৰে। মাৰ্ক্সীয় সাহিত্য হ'ল বিশ্বজনীন সাহিত্যৰ এক ধাৰা। বিশ্ব সাহিত্যৰ এই মাৰ্ক্সীয় সাহিত্যৰ ধাৰা পৰৱৰ্তী সময়ত ভাৰতীয় সাহিত্যতো প্ৰভাৱ বিস্তাৰ কৰে। ভাৰতীয় সাহিত্যৰ বিভিন্ন শাখাৰ লগতে ভাৰতীয় আঞ্চলিক ভাষাতো মাৰ্ক্সীয় সাহিত্যই প্ৰভাৱ বিস্তাৰ কৰে। প্ৰবন্ধ, গল্প, উপন্যাস, নাটক, কবিতাৰ মাজত মাৰ্ক্সীয় সাহিত্যৰ ভাৱ প্ৰবাহিত হ'ব ধৰে। এই সাহিত্যই জনগণক বিপ্লৱৰ পিনে উদ্বুদ্ধ কৰে।

*'বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত মাৰ্ক্সবাদী আদৰ্শ'* শীৰ্ষক চতুৰ্থ অধ্যায়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য সমগ্ৰত মাৰ্ক্সবাদী আদৰ্শৰ বিষয়ে আলোকপাত কৰা হৈছে। ৰাভাই অসমীয়া সাহিত্যৰ প্ৰায়বোৰ শাখাতেই হাত ফুৰাই সাহিত্য ৰচনা কৰিছে। বিষ্ণু ৰাভাই কবিতাৰ জৰিয়তে বিপ্লৱী আদৰ্শ প্ৰচাৰ কৰিছিল। কবিতাসমূহত শ্ৰেণী সংগ্ৰাম, কৃষক-শ্ৰমিক শ্ৰেণীৰ দ্বন্দ্ব, সামাজিক দায়বদ্ধতা, বৈপ্লৱিক চেতনা, পঞ্চায়তৰাজ ব্যৱস্থাৰ প্ৰতিষ্ঠাৰ কথা কৈছে। পুঁজিবাদী ধনতন্ত্ৰবাদ সমাজ ব্যৱস্থাই দুখীয়া শ্ৰেণীটোক শোষণ-নিপীড়ন কৰি আহিছে। ৰাভাই বিপ্লৱৰ জৰিয়তে ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজবাদৰ প্ৰতিষ্ঠা কৰিবলৈ জনগণক আহ্বান জনাইছে। ৰাভাই শোষিত কৃষক-বনুৱাসকলক বাৰে বাৰে শোষক ধনী মহাজন-জমিদাৰৰ শ্ৰেণীটোৰ শোষণৰ বিৰুদ্ধে বিপ্লৱ কৰিবলৈ আৰু মাৰ্ক্সৰ আদৰ্শ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিবলৈ কৈছে।

ৰাভাৰ কবিতাৰ লগতে গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, ভাষণাৱলীত মাৰ্ক্সীয় আদৰ্শৰ প্ৰতিফলন ঘটিছে। ৰাভাই তেওঁৰ সাহিত্য সমগ্ৰৰ জৰিয়তে সাম্যবাদ সমাজ গঢ়ি ধনতন্ত্ৰবাদ-পুঁজিবাদ ব্যৱস্থা ধ্বংস কৰিবলৈ সৰ্বসাধাৰণ জনগণক আহ্বান জনাইছে। ধনতন্ত্ৰবাদ ব্যৱস্থাৰ লগতে সাম্ৰাজ্যবাদী ব্যৱস্থাই কৃষক-শ্ৰমিক শ্ৰেণীটোক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিকভাৱে শোষণ কৰি নিজে অবাধ সম্পত্তিৰ মালিক হৈছে। এই ব্যৱস্থাই ধনীসকলক আৰু ধনী কৰাৰ বিপৰীতে কৃষক-শ্ৰমিক শ্ৰেণীটোক দুৰ্দশাৰ মুখলৈ ঠেলি দিছে। কৃষক-বনুৱা শ্ৰেণীটোৱে এসাজ ভাত পেট ভৰাই খাব নোৱাৰে, পিন্ধিবলৈ ভাল কাপোৰ নাই, থাকিবলৈ বাসস্থান নাই। মহাজন শ্ৰেণীটোৱে এফালৰ পৰা কৃষক-বনুৱা শ্ৰেণীটোক শোষণ কৰিছে। ৰাভাই কৃষক-বনুৱা শ্ৰেণীটোক বিপ্লৱ কৰিব কৈছে। পুঁজিবাদী ধনতান্ত্ৰিক সমাজ ভাঙি সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা আৰু পঞ্চায়তৰাজ ব্যৱস্থা স্থাপন কৰিব কৈছে। পঞ্চায়তৰাজ ব্যৱস্থা স্থাপন হ'লেহে কৃষক-বনুৱা শ্ৰেণীটোৰ শোষণৰ পৰা মুক্ত হ'ব পাৰিব। ৰাভাৰ মাৰ্ক্সবাদী সত্তাৰ মূলতে আছিল সাম্য সমাজ গঢ়াৰ। তেওঁৰ সাহিত্য সমগ্ৰ মাৰ্ক্সীয় দৰ্শনত আমি সেই কথাকেই উপলব্ধি কৰিব পাৰো।

আমি এই গৱেষণা গ্ৰন্থখনৰ বিশ্লেষণ কৰি ক'ব পাৰো —

বিষ্ণুপ্ৰসাদ ৰাভা কলেজীয়া দিনৰ পৰাই সংগ্ৰামী আছিল। সাম্ৰাজ্যবাদী ইংৰাজৰ বিৰুদ্ধে চৰমপন্থী আন্দোলনত সমৰ্থন দিছিল। মাৰ্ক্সবাদৰ গভীৰ প্ৰভাৱে ৰাভাৰ চিন্তা জগতত পৰিৱৰ্তন

আনিলে। সৰ্বসাধাৰণ জনগণৰ দুখ-দুৰ্দশাবোৰ দেখি ৰাভাই পুঁজিবাদ-ধনতন্ত্ৰবাদৰ ধ্বংস কৰিবৰ মনেৰে বিপ্লৱত যোগ দিলে। মাৰ্ক্সবাদে শ্ৰেণীহীন, শোষণমুক্ত সমাজ গঢ়াৰ কথা কৈছে। ৰাভাই বিপ্লৱী আদৰ্শ গ্ৰহণ কৰি মাৰ্ক্সে দেখুৱাই যোৱা পথক অনুসৰণ কৰিছে। ৰাভাই দেশৰ স্বাধীনতাত অংশ লৈ ভাবিছিল যে সাম্ৰাজ্যবাদী ইংৰাজক খেদি দেশৰ জনতাই ক্ষমতা নিজৰ হাতত ল'লে সকলোৰে মঙ্গল হ'ব। গণতান্ত্ৰিক সমাজব্যৱস্থাৰ প্ৰতিষ্ঠা হ'লে সকলোৰে সুখ হ'ব। কিন্তু ভাৰতৰ  স্বাধীনতাৰ পিছত ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবিহে দেখা পোৱা গ'ল। দেশৰ নতুন চৰকাৰখনত পুঁজিবাদী ধনতান্ত্ৰিকবাদৰ দ্বাৰা চলিব ধৰিলে। এই শ্ৰেণীটোৱে সাধাৰণ শ্ৰেণীটোক কৰ-কাটল, খাজনা, সুদ ইত্যাদিৰ নামত শোষণ কৰিব ধৰিলে। ৰাভাই এই ব্যৱস্থাটোৰ বিৰুদ্ধে বিপ্লৱত যোগ দিলে আৰু জনগণৰ মাজত বিপ্লৱৰ বাণী প্ৰচাৰ কৰিব ধৰিলে। চৰকাৰে বিপ্লৱৰ ধ্বনি সহ্য কৰিব নোৱাৰি ৰাভা আৰু সহযোগীসকলক বন্দীৰ আদেশ দিলে। ৰাভা জনগণৰ মাজত সোমাই পৰিল। ৰাভাৰ সাহিত্যিক দিশটোও বিপ্লৱৰ সৈতে জড়িত। ৰাভাই জীৱনৰ কালছোৱাত বহু সাহিত্য ৰচনা কৰিছিল। এই সাহিত্যৰাজিৰ মাজত ৰাভাৰ গৱেষণালব্ধ ৰূপটো দেখা যায়। ভাৰতীয় ৰাগ-সঙ্গীত, নৃত্য-মুদ্ৰাৰ পৰা আৰম্ভ কৰি ইতিহাস, বুৰঞ্জী, গল্প, উপন্যাস, কবিতা, গীত, নাটক আদি ৰচনাৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভঁড়াল সমৃদ্ধশালী কৰি গৈছে। ৰাভাৰ সাহিত্যৰ ওপৰত মাৰ্ক্সীয় প্ৰভাৱ পৰা দেখা যায়। তেওঁৰ গীত-কবিতা, গল্প-উপন্যাস, নাটক, ভাষণত মাৰ্ক্সবাদী দৰ্শন দেখা পোৱা যায়। মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰাৰ পিছত সাধাৰণ জনগণক সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ লগতে শোষণৰ পৰা মুক্ত হ'বলৈ বিপ্লৱী আদৰ্শৰ প্ৰতি উদ্বুদ্ধ হ'বলৈ সাহিত্যসমূহৰ যোগেদি এক বাৰ্তা প্ৰেৰণ কৰিছে। গীত আৰু কবিতাখিনি বিশ্লেষণ কৰিলে আমি দেখিবলৈ পাওঁ যে জনগণক বিপ্লৱৰ পথ গ্ৰহণ কৰি আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে। সমাজত চলি অহা অত্যাচাৰ, শোষণ-নিপীড়নৰ পৰা মুক্ত হৈ পঞ্চায়তৰাজ ব্যৱস্থা প্ৰতিষ্ঠাৰ জৰিয়তে দুখীয়া কৃষক-শ্ৰমিকক মুক্তিৰ পথৰ সন্ধান দিছে। গল্পসমূহৰ ভিতৰত 'সোণপাহি', 'হিয়াৰ পুং', 'অগ্নিসংস্কাৰ', 'অজ্ঞাতবাসৰ কথা'ত মাৰ্ক্সীয় সংগ্ৰামী আদৰ্শ দেখিবলৈ পোৱা যায়। গল্পকেইটাৰ জৰিয়তে ৰাভাই সমাজত প্ৰচলিত শোষণ ব্যৱস্থা, সাম্যবাদ সমাজৰ প্ৰতিষ্ঠা, শ্ৰেণীহীন, ভেদাভেদহীন সমাজ, ধনতান্ত্ৰিক ব্যৱস্থাই কিদৰে সাধাৰণ শ্ৰেণীটোক সুদৰ ভৰত ভাৰাক্ৰান্ত কৰি শেষ কৰি দিছে তাৰ বিৱৰণৰ জৰিয়তে ৰাভাই এই শ্ৰেণীটোক

বিপ্লৱৰ পথ গ্ৰহণ কৰি নিজৰ মুক্তিৰ পথ বাচি ল'ব দিছে। একেদৰে একমাত্ৰ উপন্যাস 'মিছিং কনেঙ'খনতো ৰাভাই ভাৰতৰ স্বাধীনতা সংগ্ৰাম, জাতপাতৰ ভেদভাৱৰ পৰা মাৰ্ক্সবাদেহে সমাজৰ পৰিৱৰ্তন আনিব পাৰিব বুলি কৈছে। নাটকসমূহতো আমি একেবোৰ কথাই বিচাৰি পাও। জনগণ নিজে জাগ্ৰত নহ'লে কোনেও তেওঁলোকক শোষণ-নিপীড়নৰ পৰা মুক্তি দিব নোৱাৰে। সেইবাবে ৰাভাই তেওঁলোকক মাৰ্ক্সবাদৰ মুক্তি পথৰ সন্ধান দিছে। ৰাভাই সমগ্ৰ জীৱন সাধাৰণ সৰ্বহাৰা জনগণৰ বাবে সমৰ্পণ কৰিছিল। তেওঁ সাহিত্য সমগ্ৰত বিপ্লৱী আদৰ্শৰ দ্বাৰা জনগণৰ মুক্তিৰ বাবে পথৰ সন্ধান দিবলৈ চেষ্টা কৰিছিল।

**ভৱিষ্যতৰ সম্ভাৱনীয়তা**

বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য সমগ্ৰত মাৰ্ক্সবাদী আদৰ্শ বিষয়টো যিমানখিনি সম্ভৱ হৈছে আমি আলোচনা কৰিবলৈ যত্ন কৰিছো। ইয়াত বিষ্ণু ৰাভাৰ সাহিত্য সমগ্ৰখিনি লোৱা হৈছে। ভৱিষ্যতে বিষয়টোক বিভিন্ন দিশৰ পৰা গৱেষণা কৰাৰ থল আছে। আমি কেইটামান দিশ দেখুৱাই দিয়াৰ প্ৰয়াস কৰিছো —

১। তুলনামূলক পদ্ধতিৰে বিষয়টি অধ্যয়ন কৰিব পৰা যায়।

২। অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক দিশৰ পৰা বিষয়টিক গৱেষণা কৰিব পৰা যায়।

৩। অসমীয়া সাহিত্যত মাৰ্ক্সবাদী আদৰ্শৰ দিশৰ পৰাও বিষয়টিক গৱেষণা কৰিব পৰা যায়।

৪। অন্য সাহিত্যিকৰ ৰচনাত মাৰ্ক্সবাদী আদৰ্শৰ ফালৰ পৰাও বিষয়টো গৱেষণা কৰিবৰ থল আছে।

৫। মাৰ্ক্সবাদী সাহিত্য আৰু অনা মাৰ্ক্সবাদী সাহিত্য অধ্যয়নকো গৱেষণাৰ বিষয়ৰূপে ল'ব পাৰি।

পৰৱৰ্তী সময়ত এই বিভিন্ন দিশসমূহৰ আলোচনাৰ মাধ্যমেৰে মাৰ্ক্সবাদী সাহিত্য বিষয়টোক অধিক সমৃদ্ধ কৰিব বুলি আশা কৰিব পাৰি।